
# ত্যাগবীৰ হেম বৰুৱা মহাবিদ্যালয় আলোচনী

২০০৭-০৮ বৰ্ষ



**TYAGBIR HEM BARUAH COLLEGE MAGAZINE**

**SESSION : 2007-08**

সম্পাদনা :

পদ্মশ্ৰী বৰকাকতি

# ৰদৰ তাপত মোৰ স্বপ্ন স্বৰ্ণ হৈ পৰা

শ্ৰীকপিল শেখৰ বৰা
উঃ মাঃ দ্বিতীয় বৰ্ষ (বিজ্ঞান শাখা)

ঐ মৃনাল, মই গ'লো, তই আহি থাকিবি -

এয়া হৈছে ১০ বছৰীয়া নয়নৰ তাৰ গৰখীয়া বন্ধু মৃনালক পুৰাই দিয়া বতৰা।

নয়ন মাক-দেউতাক আৰু ভনীয়েকৰ সৈতে সিহঁতৰ এটা সৰু দৰিদ্ৰ পৰিয়াল। তাৰ কাম হৈছে ৰাতিপুৱাই লোকৰ গৰু চৰাবলৈ নিয়া আৰু বিনিময়ত সি মাহেকৰ মুৰত কিবা এটা পোৱা। অৱশ্যে তাৰ মাজতে নয়নে তাৰ স্কুলীয়া শিক্ষা বজাই ৰাখিছিল। বাপেকে আনৰ ঘৰত কাম কৰি মেলি পোৱা তাকৰীয়া পইছাৰেই ঘৰখন চলোৱাৰ লগতে নয়নৰ পঢ়া শুনাৰ সামান্যতম সুবিধা কৰি দিছিল, যাৰ মাজতেই ডাঙৰ দীঘল হ'ল নয়ন। নয়নৰ ভনীয়েক হীৰা আৰু মাকে তাঁতশালত কাপোৰ তৈয়াৰ কৰি লৈছিল।

এদিন দুদিন কৰি নয়ন ডাঙৰ দীঘল হৈ আহিছিলে। এদিন সি তাৰ স্থানীয় পুঠিমাৰী উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ অষ্টম শ্ৰেণীত ভৰি দিছিলে। কিন্তু তাৰ নাছিল স্কুলৰ ক্লাছ কৰিবলৈ সময় আৰু কাপোৰ, কাৰণ সি এটা গৰুৰখীয়া। কিন্তু এইবাৰ সি দহোবন কাটি কৰি বিদ্যালয় সপ্তাহ সমাৰোহৰ সকলোবোৰ প্ৰতিযোগিতাতে ভাগ ল'লে আৰু সি তাৰ যোগ্যতাৰ ভিত্তিত শ্ৰেষ্ঠ সংগীত প্ৰতিযোগীৰ সন্মানেৰেও বিভূষিত হ'ল। নয়ন সকলো ছাত্ৰ-ছাত্ৰীৰ পৰিচিত হৈ পৰিল, লগতে নয়নে শিক্ষক শিক্ষয়িত্ৰী সকলৰ মৰম-চেনেহ আদায় কৰিবলৈ সক্ষম হ'ল। সেই উৎসাহতে নয়নে তাৰ পঢ়া শুনা গভীৰ ভাবে কৰিবলৈ আৰম্ভ কৰিলে। তাৰবাবে সি সন্ধিয়া সময়খিনি বাছি উলিয়ালে। লাহে লাহে নয়ন সু-গায়কৰ লগতে মেধাবী ছাত্ৰ হিচাপে পৰিচিত হৈ পৰিল। নয়নৰ ঘৰখনৰ আৰ্থিক দুৰৱস্থাৰ বাবে তাৰ স্কুলৰ শিক্ষক -শিক্ষয়িত্ৰীসকলে নয়নক আৰ্থিকভাবে সহায় কৰিলে। সেই সুযোগতে নয়নে তাৰ স্থানীয় কলা বিদ্যালয় এখনত সংগীত বিভাগত নাম লগাই ল'লে কিছুদিনৰ বাবে। এতিয়াৰ পৰা নয়নৰ বাবে পঢ়াশুনাৰ লগতে সংগীত চৰ্চাই একমাত্ৰ কাম হৈ পৰিল। ঘৰখনেও নয়নক বিভিন্ন উপায়েৰে সহায় সহযোগিতা কৰাৰ লগতে উৎসাহ যোগালে। এই সকলোখিনিৰে মান ৰাখি এদিন নয়নে তাৰ দশম শ্ৰেণীৰ উচ্চ মাধ্যমিক শিক্ষান্ত পৰীক্ষাত ষ্টাৰ মাৰ্ক লৈ পাছ কৰিলে। লগে লগে নয়নৰ ঘৰখনো সমাজত এক সন্মানিত পৰিয়াললৈ ৰূপান্তৰিত হ'ল।

নয়নৰ ৰিজাল্টত নয়নৰ বাপেকে হেজাৰ মৰহা স্বপ্ন হাতত বিচাৰি পালে। বাপেকে পৰিয়াটিৰ নামত থকা একমাত্ৰ খেতি মাটি কেইবিঘা দুই লাখ টকাত বিক্ৰী কৰি দিলে আৰু নয়নক উচ্চ শিক্ষাৰ বাবে চহৰৰ উচ্চ শিক্ষাৰ কলেজত কলা বিভাগত নাম লগাই দিলে।

- দাদা, তই পঢ়া-শুনা ভালদৰে কৰিবি আৰু নিজৰ স্বাস্থ্যৰ প্ৰতিও নজৰ ৰাখিবি।

- বোপাই জানই নহয় আমি তোক কিমান কষ্টৰে পঢ়াইছো গতিকে ইয়াৰ মান ৰাখিবি।'

এয়া ভনীয়েক আৰু মাকৰ বাক্য নয়নলৈ বুলি কলেজলৈ যোৱাৰ পথত।

বাপেকে সগৌৰৱৰে নয়নক বিদায় দিলে। নয়নে তাৰ নতুন কলেজৰ লগত অতি সহজে নিজকে খাপ খুৱাই ল'লে আৰু অতি কম সময়তে বহু বন্ধু গোটালে। নয়নে প্ৰতিযোগিতাৰ বাবে এখন সুকীয়া স্থান পাই দুগুণ উৎসাহিত হৈ পৰিল আৰু অধ্যয়ন আৰু সংগীত চৰ্চাত মনোনিবেশ কৰিলে।

নয়নে কলেজতো দুবাৰকৈ মহাবিদ্যালয় সপ্তাহ

সমাৰোহত শ্ৰেষ্ঠ সংগীত শিল্পীৰ সন্মানেৰে সন্মানিত হয়। নয়নৰ খ্যাতিও ইয়াৰ যোগেদি বাঢ়িলে।

এদিন নয়নে উচ্চতৰ মাধ্যমিক শিক্ষান্ত পৰীক্ষাত প্ৰথম বিভাগত তিনিটা বিষয়সহ উত্তীৰ্ণ হ'ল। এই সফলতাত নিজৰ ঘৰখন, নিজৰ গাওঁখন আৰু নিজৰ অঞ্চলটোৱে অতিকে সুখ পালে। তাৰ পাছত নয়নে সেই কলেজতে Geography ত মেজৰ লৈ স্নাতক শাখাত নাম ভৰ্তি কৰিলে।

এদিন নয়নে দৈনিক কাকতৰ যোগেদি ৰেডিঅৰ গান গাবৰ বাবে প্ৰাথী নিৰ্বাচন কৰিব বুলি গম পালে। সম্পূৰ্ণ প্ৰস্তুতিৰে নয়নেও নিৰ্ধাৰিত তাৰিখত সেই পৰীক্ষাত অৱতীৰ্ণ হ'ল আৰু ৰেডিঅত গান গাবৰ বাবে নয়ন নিৰ্বাচিত হ'ল।

নয়নে সেই সুযোগ গ্ৰহণ কৰি বহাগ মাহৰ এটি সন্ধিয়াত ৰেডিঅ চেন্টাৰত এটা বিহুসুৰীয়া গীত পৰিবেশন কৰে আৰু সেই গীত সমগ্ৰ অসমতে প্ৰচাৰিত হয়। নয়নৰ কষ্টৰ সাৰ্থক হ'ল।

ইটোৰ পাছত সিটো নয়নৰ গান ক্ৰমান্বয়ে ৰেডিঅৰ যোগেদি প্ৰচাৰ হ'বলৈ ধৰিলে আৰু নয়নৰ গান বহুলভাবে সমাদৃত হ'ল।

অৱশেষত নয়নৰ ভাগ্যৰ দুবাৰ খোল খালে, ৰাজ্যৰ আটাইতকৈ ডাঙৰ শ্ৰব্য কেচেট পৰিবেশক গোষ্ঠী এটাই নয়নক ডেৰ বছৰৰ বাবে চুক্তিবদ্ধ কৰি ল'লে। নয়নৰ প্ৰথম কেছেট হিচাপে - স্বপ্ন যেতিয়া বাস্তৱ হয় বজাৰত ওলাবলৈ প্ৰস্তুত হয়। কেছেটটিৰ আঠোটি গীততেই নয়নে প্ৰাণঢালি কন্ঠ দিছে, য'ত আছিল নয়নে নিজৰ গৰখীয়া জীৱনৰ কৰুণ স্মৃতিক লৈ লিখা সেই গীত - ৰ'দৰ তাপত মোৰ স্বপ্ন স্বৰ্ণ হৈ পৰে, আৰু এদিন পুজাৰ বতৰত কেছেটটি বজাৰত মুকলি হ'ল।

কেছেটটিক শ্ৰোতা ৰাইজে অবিশ্বাস্যভাবে আদৰি ল'লে আৰু ইয়াৰ যোগেদি নয়ন এজন
প্ৰতিষ্ঠিত গায়কৰ শাৰীলৈ ৰূপান্তৰিত হ'ল।

ইয়াৰ পাছতে নয়নে তাৰ পৰিয়ালটিৰ লগত অলপদিন কটালে। নয়নৰ ঘৰৰ দুৰৱস্থা আঁতৰিল আৰু টনকিয়াল হৈ পৰিল। নয়নৰ মৰমৰ ভনীয়েক হীৰাৰ বিয়াৰ ব্যবস্থা হ'ল আৰু এদিন হীৰা কইনাহৈ ওলাই গ'ল।

পুণৰ নয়নে তাৰ সংগীত বিষয়ত মনোনিবেশ কৰিলে। সেই গোষ্ঠীৰ বেনাৰত ক্ৰমে - মুক্ত আকাশ, পৰিচয় আৰু হেঙুলী পোহৰ নামৰ তিনিটা কেছেট বজাৰত মুকলি হ'ল। সমসাময়িক ভাবে নয়ন ডেকা-বুঢ়া-গাভৰু সকলোৰে আদৰৰ শিল্পী হৈ পৰিল।

নয়ন বৰ্ত্তমান ৰাজ্যৰ এজন উচ্চস্তৰৰ সংগীতশিল্পী। নয়ন যিফালেই যায়, সেই ফালেই মানুহৰ সোঁত বয়।

ৰ'দৰ তাপত মোৰ স্বপ্ন-
স্বৰ্ণ হৈ পৰে,
এযাক গৰখীয়া বাঁহীৰ
সুৰত আজি
ময়ুৰীয়ে নাচে।

০০০০০০০০০০০০

# ছাঁ-পোহৰৰ-মেল

ক্ষীৰ কলিতা, প্ৰৱক্তা
অসমীয়া বিভাগ

অঁজলা থিয় গড়াত খোপনিপুতি
খেপিয়াই খেপিয়াই
কানি-মুনি পোহৰত
বুকুৰ ভিতৰত এটি গৰখীয়া খেল।

ইৰিকতি মিৰিকতি এটি গৰখীয়া গীতি
কেৰাচিন সীহা জ্বালি কাটি কাটি
পেটুৰা কৰা আইৰ টাকুৰিৰ উম
পোত গৈ থাকে বুকুৰ বাহিৰে ভিতৰে
কেৱল আন্ধাৰে ঢাকে জিভা।
হয়তো নাতিৰ কম্পিউটাৰত লেখ ৰ'ব
আইৰ টাকুৰিৰ গাণিতিক ঘূৰণ।

আত্মজৰ বুকুৰে
ওলাই আহিব এটি
কবিতাৰ পুৰা
কোমল হ'ব উশাহ
মানুহৰ পৃথিৱীত
সিঁচিব সময়ে ভৱিষ্যতৰ আশা।



# 'শীতৰ সেমেকা ৰাতিৰ দুখ'

শ্ৰীইৰাণী দত্তমেধি, প্ৰৱক্তা
অৰ্থনীতি বিভাগ

বতাহে মঙহ খোৱা দেখি-
পুলিন পুথাওৰ আত্মাই
চিঞৰি কৰিছে জয়াল ৰাতি

বগুৰা বাই ফুৰিছে
নাম নজনা দুখে-
হিয়াই হিয়াই দুখৰ ঢৌ,
আলফুলীয়া চকুলোৰে-
বাট বিছাৰি ফুৰে-
সময়ে অসময়ে-।

এনাইদেউৰ মুখত শুনা-
সাধুবোৰ দেখোন এটিয়া জীৱন্ত–
'কুটুমৰ তেজেৰে বন্তি জ্বলালে
মজিয়া ভকে ভকালে'।

আইতা অ' তোৰ ৰিহাৰ আচলখন
বহলাই মেলি দে
ঢাক খাওক দুখৰ ৰাতি
মৰিশালি মৈদাম বোৰ-
নিজম পৰক–
সাজ পানীৰ নিছাত–
গভীৰ হওঁক কবিৰ ৰাতি ।

# MY EXPERIENCE IN DRAMA

***Santosh Kumar Thakur***
*H.S. 1st Year (Science)*

What is drama?

It is an art of writing, acting or presenting palys.

Actually we are all actor and we are performing a story on the stage (Earth). In the drama of our real life there is no any mistake. Our acting became so serious with the conditions of our life, without any practice. But when ever we are going to perform a story(play) on a artificial stage(in front of audience) we feel so nervous and complex to complete the play, why?

As because we think that, we are going to perform a play on stage in front of audience. But before performing the drama, if we think that the story of the drama(play) is going on in our real life. Then we can easily perform the story on a artificial stage in front of thousands of people without feeling any nervousness.

Drama has been delighting people for at least 2500 years. Shakespeare was one of the great dramatists who related with drama or play.

There are many types of drama including tragedies(serious play), light hearted comedies(play with happy ending). Other types included historical plays, thrillers, musical theatres etc.

The actor who can perform light hearted comedies by using his art to entertain without laughing himself can able to perform all types of drama and he became one of the good actor. The skill of the actor is vital to the success of the drama. Using the right tone of voice, facial expression or gesture, an actor creates the illusion that the audience is watching or listening to real people and events on stage or screen. Many actors study at drama school before becoming professionals paid to appear on stage.

School is not necessary for acting the art of acting is in the blood of people we should try to use it.

000

# NAMELESS FEELINGS, ME AND THE BEE

***Udipta Ny. Medhi***
*H.S 1st year(Science)*

A few summers back. I went to Cherapunjee,as the road was too zigzag .We stopped for a while. I went down from the car and decided to eat something sitting on a log nearby. I unwrapped a sandwich and surveyed the beautiful scenery. Too turbulent streams joined too from a clear, deep pool before roaring down a heavily wooded canyon.

My idyll would have been perfect had it not been for a persistent Bee that began buzzing around me. the Bee was of the common variety that plagues picnikers.without thinking I brushed it away.

Not the least intimidated, the Bee came back and buzzed me again. Now, losing patience, I swatted the pest to the ground and crunched it in to the sand with my boot.

Moments later I was started by a minor explosion of sand at my feet. My tormentor emerged with its wings buzzing furiously. This time I took no chances. I stood up and ground the insect in to the sand with all my 55 kilos.

Once more I sat down to eat. After several minutes I became aware of a slight movement near my feet. A broken but still living Bee was feebly emerging from the sand. Surprised at its survival, I leaned down to survey the damage. The right wing was relatively intact but was crumpled like a piece of paper.Neverthless the Bee kept evercising the wings slowly up and down as though as using the damage. It also began to grown its sand encrusted thoran and abdomen.

Next the Bee turned its attention to the bent left wing, rapidly smoothing the wings by running its legs down the length. After its straightening session, the Bee buzzed it's wings as it to taste the lift.

I got down on my hands and knees to better see those futile attempts. Closer scrutiny confirmed the Bee was finished-It must be finished. But the Bee paid me attention to my survilance. It seemed to be gaining strength and increasing the tempo of its repairs. The bent veins that stiffened the gasmer wing were nearly straight now.

At last the Bee felt sufficiently confident to attempt a trial flight. With a audible buzz, it released its grip on the earth—and flew in to a rise in the sand not more than seven or eight centimeters away. The little creature hit so hard that it tembled. More frantic smoothing and flecing followed. Again the Bee lifted of, this time flying 15cms before hitting another mound. Apparently the Bee had regained the lift in its wings but had not mastered the directional controls. Like a pilot learning the peculiarities of a strange aircraft, it experimented with short hops that ended ignominiously. After its crash the Bee work furiously to correct the newly discovered structural deficiencies.

Once more it took off, this time clearing the sand but heading straight towards a stump. Narrowly avoiding, the Bee checked it's forward speed, circled and than drifted slowly over the mirror like surface of the pool as if to admire it's own reflection. As the Bee disappeared, I realized that I was still on my knees, and I remained on my knees for sometime thinking how could a creature so humbled performed such a miracle.

00000000000